প্ৰথম অধ্যায়

# শিক্ষাদান-শিক্ষাগ্ৰহণ প্ৰক্ৰিয়া
## (The Teaching Learning Process)

**শিক্ষাদান-শিক্ষাগ্ৰহণ প্ৰক্ৰিয়া (The Teaching Learning Process)ঃ** আনুষ্ঠানিকেই হওক বা অনানুষ্ঠানিকেই হওক শিক্ষাদান কৰোঁতাজনক শিক্ষক (teacher) আৰু শিক্ষা গ্ৰহণ কৰোঁতাক শিক্ষাৰ্থী (student / learner) বোলা হয়। শিক্ষকে শিক্ষাৰ্থীক যি জ্ঞান অভিজ্ঞতা প্ৰদান কৰে তাক শিক্ষাদান বোলা হয়। ঠিক সেইদৰে শিক্ষাৰ্থীয়ে শিক্ষকৰ পৰা লাভ কৰা জ্ঞান অভিজ্ঞতাক শিক্ষা গ্ৰহণ বুলি ক'ব পাৰি। এই দুয়োটা ব্যৱস্থাক একেলগে শিক্ষাদান-শিক্ষাগ্ৰহণ প্ৰক্ৰিয়া বোলা হয়।

শিক্ষাদান-শিক্ষাগ্ৰহণ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক দুয়ো বিধৰে হ'ব পাৰে। নিৰ্দিষ্ট পাঠ্যক্ৰম, সময়সীমা, পাঠ্যপুথি, সা-সঁজুলি আদিৰ সহায়েৰে কোনো শিক্ষানুষ্ঠানত শিক্ষকে দান কৰা শিক্ষাক আনুষ্ঠানিক শিক্ষাদান আৰু শিক্ষাৰ্থীয়ে সেই শিক্ষা আহৰণ কৰাক আনুষ্ঠানিক শিক্ষাগ্ৰহণ বোলা হয়। ঠিক সেইদৰে আনুষ্ঠানিকতাৰ বাহিৰত জন্মৰ পৰা মৃত্যুলৈকে ঘৰখনৰ তথা সমাজৰ বিভিন্ন দিশৰ পৰা আহৰণ কৰা শিক্ষাক অনানুষ্ঠানিক শিক্ষা বোলা হয়। ইয়াত যিয়েই শিক্ষাদান নকৰক এই শিক্ষাদানত কোনো আনুষ্ঠানিকতা নথকাৰ বাবে ইয়াক অনানুষ্ঠানিক শিক্ষাদান বোলা হয়।

আনুষ্ঠানিক শিক্ষাদানত শিক্ষাৰ্থীৰ অন্তৰ্নিহিত সম্ভাৱনীয়তাসমূহৰ বিকাশ, শাৰীৰিক, মানসিক, সামাজিক, নৈতিক আদি দিশৰ বিকাশ আৰু শিক্ষাৰ্থীসকলক প্ৰয়োজনীয় নিৰ্দেশনা আদি দিয়াৰ ওপৰত বিশেষ গুৰুত্ব দিবলগীয়া হয়।

শিক্ষাদান-শিক্ষাগ্ৰহণ হৈছে এক সংযোগ প্ৰক্ৰিয়া, যি প্ৰক্ৰিয়াত শিক্ষাৰ্থীৰ অন্তৰ্নিহিত তথা সুপ্ত প্ৰতিভাসমূহৰ সৰ্বোত্তম বিকাশ সাধনৰ উদ্দেশ্যে শিক্ষাৰ্থীৰ মানসিক সামৰ্থ অনুসৰি শিক্ষাগ্ৰহণ কৰিবৰ বাবে শ্ৰেণীকক্ষৰ ভিতৰে বাহিৰে উপযুক্ত কৌশল আৰু পদ্ধতি অৱলম্বন কৰি শিক্ষকে এক অনুকূল পৰিবেশৰ সৃষ্টি কৰে।

শিক্ষাদান-শিক্ষাগ্ৰহণ হৈছে এনে এক সংযোগ প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াত শিক্ষকে শিক্ষণীয় বিষয়বস্তুসমূহ বিভিন্ন মাধ্যম, যেনে— অংগী-ভংগী, সংকেত, ছবি, ফটোগ্ৰাফ আদিৰ জৰিয়তে শিক্ষাৰ্থীলৈ প্ৰেৰণ কৰে আৰু শিক্ষাৰ্থীয়েও এনেদৰে প্ৰদান কৰা জ্ঞান অভিজ্ঞতা নিজস্ব ভাব-ভাষালৈ ৰূপান্তৰিত কৰি গ্ৰহণ কৰে।

শৈক্ষিক প্ৰযুক্তিবিদ্যাৰ দিশৰ পৰা চালে যি প্ৰক্ৰিয়াত উৎস (source) বা শিক্ষকে নিৰ্দিষ্ট পৰিৱেশত থাকি কিছুমান নিৰ্দিষ্ট মাধ্যমৰ সহায়ত সংগ্ৰাহক (receiver) লৈ বাৰ্তা (message) প্ৰেৰণ কৰে আৰু সেইবোৰৰ সঠিকতা সম্পৰ্কে সময়ে সময়ে সংগ্ৰাহক বা শিক্ষাৰ্থীৰ সঁহাৰি বা প্ৰতিপুষ্টি লৈ থাকে, সেই সংযোগ প্ৰক্ৰিয়াটোকে শিক্ষাদান-শিক্ষাগ্ৰহণ বা শিকন-শিকন প্ৰক্ৰিয়া বোলা হয়।

শিক্ষাদান-শিক্ষাগ্ৰহণ এক আন্তঃসম্পৰ্কিত সংহতিপূৰ্ণ, পাৰস্পৰিক নিৰ্ভৰশীল, সামাজিক আৰু মনঃস্তাত্ত্বিক প্ৰক্ৰিয়া। দুয়োটাই এটা আনটোৰ পৰিপূৰক আৰু একেটা মুদ্ৰাৰে ইপিঠি সিপিঠি স্বৰূপ। ইয়াৰ এটাক বাদ দি আনটোৰ কথা ভাবিবই নোৱাৰি।

তলত শিক্ষাদান আৰু শিক্ষাগ্ৰহণ সম্পৰ্কে বিতংভাৱে আলোচনা কৰা হ'ল।

**শিক্ষাদান (Teaching) :** ব্যক্তিগতভাৱে বা সামাজিকভাৱে শিক্ষাৰ্থীৰ শিক্ষাগ্ৰহণ প্ৰক্ৰিয়াক সফল কৰিবৰ বাবে শ্ৰেণীকক্ষৰ ভিতৰে বাহিৰে মৌখিক আৰু যান্ত্ৰিক সঁজুলি ব্যৱহাৰৰ দ্বাৰা যি প্ৰচেষ্টা চলোৱা হয় তাকে শিক্ষাদান বুলি কোৱা হয়। শিক্ষাদান সম্পৰ্কে বিভিন্ন শিক্ষাবিদে বিভিন্ন সংজ্ঞা আগবঢ়াইছে, তাৰে কেইটামান তলত উল্লেখ কৰা হ'ল।

এন. এল. গেগ (N. L.Gage) ৰ মতে, "শিক্ষাদান হৈছে আন্তঃব্যক্তিক প্ৰভাৱ, যাৰ উদ্দেশ্য হৈছে অন্য ব্যক্তিৰ আচৰণৰ পৰিৱৰ্তন সাধন কৰা।" ("Teaching is a form of interpersonal influence aimed at changing the behaviour potential of another person.")।

এডমাণ্ড এমিডন (Admund Amidon) ৰ মতে, "শিক্ষাদান হৈছে এক পাৰস্পৰিক প্ৰক্ৰিয়া যি শ্ৰেণীকক্ষত শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজত হোৱা কথোপকথনক অন্তৰ্ভুক্ত কৰা হয় আৰু যি নিৰ্ধাৰিত কামৰ ক্ষেত্ৰত সৃষ্টি হয়।" ("Teaching is defined as an interactive process primarily involving classroom talk which takes place between teacher and pupil's and occurs during certain definable activities.")।

থমাছ এফ. গ্ৰীন (Thomas F. Green) ৰ মতে, "শিশুৰ বিকাশৰ বাবে শিক্ষকে সম্পাদন কৰা কাৰ্যকে শিক্ষাদান বোলা হয়।" ("Teaching is the task of teacher which is performed for the development of a child.")।

বি. অ. স্মিথ (B.O. Smith) ৰ মতে, "শিক্ষাদান হৈছে শিকনক অভিপ্ৰেত কৰাৰ এক কাৰ্য।" ("Teaching is a system of actions intended to induce learning.")।

বাৰ্টন (Burton) ৰ মতে, "শিক্ষাদান হৈছে শিকনৰ বাবে উদ্দীপিত কৰা, পথ প্ৰদৰ্শন কৰা, নিৰ্দেশ দিয়া আৰু উৎসাহ জনোৱা কাৰ্য।" ("Teaching is the stimulation, guidence, direction and encouragement of learning.")।